# ছয়দুৱাৰ মহাবিদ্যালয়ত 'নাক'ৰ কৰ্মশালা



নিয়মীয়া বাৰ্তা, হেলেম, ৯ ফেব্ৰুৱাৰী ঃ গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ত যোৱা ১ ফেব্ৰুৱাৰীৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে 'নাক'ৰ এখন ৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হয়। ছয়দুৱাৰ মহাবিদ্যালয়ৰ ইণ্টাৰনেল কোৱালিটী এশ্যুৰেঞ্চ চেল'ৰ উদ্যোগত আৰু 'নাক'ৰ অৰ্থ-সাহায্যত অনুষ্ঠিত কৰ্মশালাখনত মহাবিদ্যালয়ৰ লগতে অন্যান্য উচ্চ শিক্ষানুষ্ঠানসমূহক 'নাক'ৰ দ্বাৰা নতুনকৈ নিৰ্ধাৰণ তথা সংযোজন কৰা মূল্যায়ন প্ৰক্ৰিয়াৰ বিভিন্ন বিধি আৰু নীতি-নিয়মসমূহৰ বিষয়ে সজাগ-সচেতন কৰি তোলা সন্দৰ্ভত বিশদ আলোচনা কৰা হয়। গুৰুত্বপূৰ্ণ কৰ্মশালাখনত অসম আৰু অৰুণাচল প্ৰদেশৰ বহুসংখ্যক মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু ইণ্টাৰনেল কোৱালিটী এশ্যুৰেঞ্চ চেলৰ সমন্বয়ক তথা সদস্যই অংশগ্ৰহণ কৰে। কৰ্মশালাখনত আলোচ্য বিষয় সন্দৰ্ভত মূল বক্তব্য প্ৰদান কৰে 'নেৰিষ্ট'ৰ সঞ্চালক তথা অধ্যাপক এইচ এছ যাদৱে। আনহাতে কৰ্মশালাখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপয়দ্বয় নিত্যানন্দ শৰ্মা, উৎপল শৰ্মা আৰু ইটানগৰৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰ চি পাৰিদাই। কৰ্মশালাখনৰ আৰম্ভণিতে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই উদ্বোধনী ভাষণ আৰু ইণ্টাৰনেল কোৱালিটী এশ্যুৰেঞ্চ চেলৰ সমন্বয়ক ড° অৰিন্দম শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰি উপস্থিতি সকলোকে সাদৰ-সম্ভাষণ জ্ঞাপন কৰে।